প্ৰেছ বিজ্ঞপ্তি
২০ অক্টোবৰ,২০১৬

## চ’ভাৰেইন গল্ড বণ্ড আঁচনি ২০১৬-১৭ -শৃংখলা-৩

ভাৰতীয় ৰিজাৰ্ভ বেংকে, ভাৰত চৰকাৰৰ মন্ত্ৰণা সাপেক্ষে চ’ভাৰেইন গল্ড বণ্ড-২০১৬১৭- শৃংখলা-৩ (Sovereign Gold Bonds-2016-17-Series-III) জাৰি কৰিবলৈ সিদ্ধান্ত লৈছে। বণ্ডখিনিৰ বাবে আবেদনপত্ৰ ২৪ অক্টোবৰ, ২০১৬ৰ পৰা ২ নৱেম্বৰ, ২০১৬লৈকে গ্ৰহণ কৰা হ’ব। ১৭ নৱেম্বৰ, ২০১৬ত বণ্ডবোৰ নিৰ্গমণ কৰা হ’ব। বেংক, ষ্টক হল্ডিং কৰ্পোৰেশ্যন অব ইণ্ডিয়া (এছএইছচিআইএল), মনোনীত ডাকঘৰ আৰু স্বীকৃতিপ্ৰাপ্ত ষ্টক একচেঞ্জবোৰ যেনে  নেশ্যনেল ষ্টক একচেঞ্জ অব ইণ্ডিয়া লিমিটেড আৰু বম্বে ষ্টক একচেঞ্জৰ যোগেদি বণ্ডবোৰ বিক্ৰী কৰা হ’ব। বণ্ডৰ বৈশিষ্ট্যবোৰ তলত দিয়া হ’ল-

| ক্ৰমিক নং | বিষয় | সবিশেষ |
|---|---|---|
| ১. | সামগ্ৰীৰ নাম | চভাৰেইন গল্ড বণ্ড ২০১৬-১৭ – শৃংখলা-৩ |
| ২. | নিৰ্গমণ | ভাৰত চৰকাৰৰ হৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিৰ্গম কৰা হ’ব। |
| ৩. | যোগ্যতা | ব্যক্তি, এইছইউএফ, ন্যাস, বিশ্ববিদ্যালয় আৰু দাতব্য প্ৰতিষ্ঠানকে ধৰি নিবাসী ভাৰতীয় সত্বাসমূহত বণ্ডৰ বিক্ৰী সীমাবদ্ধ থাকিব। |
| ৪. | মুদ্ৰাংক | সোণৰ ১ গ্ৰাম মৌলিক গোটৰ গুণীতকত বণ্ডবোৰ মুদ্ৰাংকিত হ’ব। |
| ৫. | চলনকাল | বণ্ডবোৰৰ চলন কাল ৮ বছৰ অবধিৰ বাবে হব আৰু পঞ্চম বৰ্ষৰ পৰা সুদ প্ৰদান তাৰিখবোৰত প্ৰস্থান বিকল্প মতামত দিব । |
| ৬. | ন্যূনতম আকাৰ | বিনিয়োগৰ ন্যূনতম আকাৰ ১ গ্ৰাম সোণৰ হ’ব। |
| ৭. | সৰ্বোচ্চ সীমা | একোটা সত্বাৰ দ্বাৰা সৰ্বাধিক অৰিহণা ৰাশি, প্ৰতি বিত্তীয় বৰ্ষত (এপ্ৰিল-মাৰ্চ) প্ৰতি ব্যক্তিত ৫০০ গ্ৰামৰ অধিক নহব। এই বিষয়ত স্ব-ঘোষণা এটা লোৱা হ’ব। |
| ৮. | যুটীয়া ধাৰক | যৌথ হল্ডিঙৰ ক্ষেত্ৰত বিনিয়োগৰ বাবে থকা ৫০০ গ্ৰামৰ সীমাটো প্ৰথম ধাৰকৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ’ব। |
| ৯. | নিৰ্গমণ মূল্য | ইণ্ডিয়া বুলিয়ন এণ্ড জুৱেলাৰ্ছ এছোচিয়েশ্যন লিমিটেডে অৰিহণাৰ অবধিৰ পূৰ্বৱৰ্ত্তী সপ্তাহটো (সোমবাৰ-শুকুৰবাৰ)ৰ বাবে প্ৰকাশ কৰা ৯৯৯ শুদ্ধতা সোণৰ সৰল গড় সামৰণি মূল্যৰ ভিত্তিত ভাৰতীয় টকাত বণ্ডৰ সাধাৰণ মূল্য স্থিৰ কৰা হ’ব। গল্ড বণ্ড নিৰ্গমণ মূল্য সাধাৰণ মূল্যতকৈ প্ৰতি গ্ৰামত ৫০ টকা কম হ’ব |
| ১০. | পেমেন্ট বিকল্প | বণ্ডৰ পেমেন্ট নগদ ধনেৰে(সৰ্বাধিক ২০,০০ টকা), বা ডিমাণ্ড ড্ৰাফ্ট বা চেক বা ইলেকট্ৰনিক বেংকিংযোগে কৰা হব । |
| ১১. | নিৰ্গমণ ৰূপ | জিএছ আইন, ২০০৬ৰ অন্তৰ্গত ভাৰত চৰকাৰৰ ষ্টকৰ ৰূপত  বণ্ডবোৰ নিৰ্গমণ  কৰা হ’ব। বিনিয়োগকাৰীক একোখন হল্ডিং চাৰ্টিফিকেট দিয়া হ’ব। বণ্ডবোৰ ডি-মেট হিচাবে ৰূপান্তৰণৰ যোগ্য হ’ব। |
| ১২. | ৰিডেম্পচন মূল্য | ইণ্ডিয়া বুলিয়ন এণ্ড জুৱেলাৰ্ছ এছোচিয়েশ্যন লিমিটেডে প্ৰকাশ কৰা ৰিডেম্পচন মূল্যৰ পূৰ্বৱৰ্ত্তী সপ্তাহটো (সোমবাৰ-শুকুৰবাৰ)ৰ ৯৯৯ শুদ্ধতা সোণৰ সৰল |

| | | |
|---|---|---|
| | | গড় সামৰণি মূল্যৰ ভিত্তিত ভাৰতীয় টকাত ৰিডেম্পচন মূল্য স্থিৰ হ'ব। |
| ১৩. | বিক্রয় প্রণালী | বেংক, ষ্টক হল্ডিং কর্পোৰেশ্যন অব ইণ্ডিয়া লিমিটেড (এছ্এইছ্চিআইএল), মনোনীত (জাননীকৃত) ডাকঘৰসমূহ আৰু স্বীকৃতিপ্ৰাপ্ত ষ্টক একচেঞ্জসমূহ যেনে- নেশ্যনেল ষ্টক একচেঞ্জ অব ইণ্ডিয়া লিঃ আৰু বম্বে ষ্টক একচেঞ্জৰ যোগেদি পোনপটীয়াকৈ বা এজেণ্টযোগে বণ্ডবোৰ বিক্ৰী কৰা হ'ব। |
| ১৪. | সুদৰ হাৰ | **বিনিয়োগকাৰীসকলক অৰ্দ্ধ-বাৰ্ষিক হিচাপত বছৰি ২.৫০ শতাংশ হাৰে মূল বিনিয়োগ মূল্যৰ ওপৰত এটা স্থিৰ দৰত সুদ আদায় দিয়া হ'ব।** |
| ১৫. | বন্ধকী | ঋণৰ বন্ধকী হিচাপে বণ্ডবোৰ ব্যৱহাৰ কৰিব পৰা যাব। ৰিজার্ভ বেংকে সময়ে সময়ে দিয়া আজ্ঞা মতে মূল্যসাপেক্ষে ঋণৰ অনুপাত সাধাৰণ 'গ'ল্ড – লোণ'ৰ সমানে স্থিৰ কৰা হ'ব। |
| ১৬. | কে ৱাই চি নথিকৰণ | আপোনাৰ গ্ৰাহকক জনা (কে ৱাই চি) বিধিবোৰ আবয়ৱিক সোণ ক্ৰয়ত প্ৰযোজ্য হোৱা বিধিৰ সৈতে একে হ'ব। ভোটাৰ পৰিচয়পত্ৰ, আধাৰ কাৰ্ড/পিএএন/বা টিএএন/পাছপৰ্টৰ নিচিনা কে ৱাই চি নথিবোৰ আৱশ্যক হ'ব। |
| ১৭. | কৰ নিৰ্ধাৰণ | আয়কৰ আইন ১৯৬১ (১৯৬১ৰ ৪৩)ৰ উপবন্ধ অনুযায়ী গল্ড বণ্ডৰ সুদখিনি কৰ আদায় হব। এছ জি বিৰ ৰিডেম্পচনৰ ফলত উদ্ভৱ হোৱা মূলধনী লাভৰ ওপৰত বহুওৱা কৰখিনি এজন ব্যক্তিৰ ক্ষেত্ৰত ৰেহাই হ'ব। বণ্ডৰ হস্তান্তৰণত কোনো ব্যক্তিলৈ হোৱা দীৰ্ঘম্যাদী মূলধনী লাভত সূচীভুক্তকৰণ সুবিধাবোৰ আগবঢ়োৱা হ'ব। |
| ১৮. | ক্ৰয়-বিক্ৰয়যোগ্যতা | আৰ বি আইয়ে বিজ্ঞাপন দিয়া এটা তাৰিখৰ এক পষেকৰ ভিতৰত ষ্টক একচেঞ্জবোৰ/এনভিএছ-অ'এমত বণ্ডবোৰ ক্ৰয়-বিক্ৰয় কৰিব পৰা যাব। |
| ১৯. | এছ এল আৰ যোগ্যতা | বণ্ডবোৰ এছ এল আৰৰ বাবে গণ্য হব। |
| ২০. | কমিছন | গ্ৰহণকাৰী কাৰ্যালয়বোৰে পোৱা মুঠ ক্ৰয়নিবিদাৰ ১ শতাংশ হাৰত বণ্ডবোৰৰ বিতৰণৰ বাবদ কমিছন দিয়া হ'ব আৰু গ্ৰহণকাৰী কাৰ্যালয়বোৰে, এজেন্ট/উপ-এজেন্টৰ যোগেদি আহৰণ কৰা ব্যৱসায়খিনিৰ কমেও ৫০ শতাংশ কমিছন তেওঁলোকক ভগাই দিব। |

**অজিত প্ৰসাদ**

সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/৯৮৫**